# একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে যোগেন চেতিয়াৰ 'ধানটো-পতানটো'ৰ এটি বিশ্লেষণ

ডঃ চিত্ৰজিৎ শইকীয়া

## সাৰাংশ

ঊনবিংশ শতিকাৰ শেহৰফালে আধুনিক নাট্য-সাহিত্যলৈ আমদানি ঘটা একাংকিকা নাটকে অসমীয়া নাট্য-সাহিত্যকো বিশেষভাবে সমৃদ্ধ কৰিছে। ইতিমধ্যে ভিন্নজন অসমীয়া নাট্যকাৰে একাংকিকা নাট্য সৃষ্টিৰে ধাৰাটোক গতিশীল কৰি তুলিছে। তেনে এজন নাট্যকাৰ হৈছে যোগেন চেতিয়া। চেতিয়াৰ 'ধানটো-পতানটো' এখন লেখত ল'বলগীয়া একাংকিকা নাটক। পৰিস্থিতিপ্ৰধান নাটকখনত সমাজৰ ফোঁপোলা স্বৰূপটো উদ্ভাসিত কৰি তোলা হৈছে। আনহাতে একাংকিকা নাটকৰ আংগিকগত উপাদানৰ সাৰ্থক প্ৰয়োগৰ দিশৰ পৰাও নাটকখন গুৰুত্বপূৰ্ণ। একাংকিকা নাটকৰ নিপুণ কাৰিকৰ হিচাপে চেতিয়াক এই নাটকখনে  প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আমাৰ গৱেষণা-পত্ৰত একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে নাটকখনৰ এটি মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। এই মূল্যায়নে একাংকিকা নাটকৰ আংগিকগত দিশসমূহতো পোহৰ পেলাব।

**বীজ শব্দ** ঃ একাংকিকা, আংগিক, পৰিস্থিতিপ্ৰধান, লক্ষ্যৰ একমুখিতা, সমাজৰ স্বৰূপ

# একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে যোগেন চেতিয়াৰ 'ধানটো-পতানটো'ৰ এটি বিশ্লেষণ

## ১.০ অৱতৰণিকা

### ১.১ বিষয় প্ৰৱেশ

অসমীয়া নাট্য সাহিত্যৰ বিকাশত একাংকিকা নাটকসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ঊনবিংশ শতিকাৰ শেষাৰ্ধত ইংলেণ্ড আৰু ফ্ৰান্সত মূল নাটকৰ আৰম্ভণিতে কিছুমান চুটি চুটি বিনোদনধৰ্মী নাটক পৰিৱেশন কৰা হৈছিল। ইংলেণ্ডত কাৰ্টেন ৰেইজাৰ (Curtain Raiser) আৰু ফ্ৰান্সত কিউটাৰি দি হিউগ (Cutery De Hugo) নামেৰে জনপ্ৰিয় এই নাটকসমূহে কম সময়তে দৰ্শকক বিনোদন দিবলৈ সক্ষম হৈছিল। পিছলৈ ইয়াৰ পৰাই পৃথিৱীৰ ভিন্ন সাহিত্যলৈ একাংকিকাৰ ৰূপত ধাৰণাটোৱে প্ৰসাৰতা লাভ কৰে। আধুনিক অসমীয়া একাংকিকাসমূহো একে আদৰ্শৰে ফচল।

অসমীয়া নাট্য সাহিত্যৰ পৰম্পৰালৈ লক্ষ্য কৰিলে দেখা যায় যে শংকৰদেৱৰ অংকীয়া নাটতে একাংকিকাৰ বীজ নিহিত আছিল বুলিব পাৰি। কাৰণ সেইবোৰো আছিল এক অংকবিশিষ্ট। একেদৰে আধুনিক একাংকিকাৰ লক্ষণযুক্ত নহ'লেও ঘটনাৰ অভিব্যক্তি আৰু স্বল্প আয়তনৰ দিশৰ পৰা মাধৱদেৱৰ ঝুমুৰাকেইখনো একাংকিকাৰ কাষ চপা বুলি ক'ব পৰা যায়। কিন্তু প্ৰকৃত অসমীয়া একাংকিকা নাটক ৰচনাৰ প্ৰয়াস আৰম্ভ হয় বেজবৰুৱাৰ হাতত। বেজবৰুৱাৰ 'পাঁচনি', 'নোমল', 'চিকৰপতি নিকৰপতি', 'ৰজা গদাধৰ' এনে প্ৰয়াসৰে ফল। কিন্তু এইবোৰ নাটকে একাংকিকাৰ সকলোবোৰ কলাগুণ বহন কৰিব পৰা নাছিল।

অসমীয়া একাংকিকা নাটকৰ গৌৰৱপূৰ্ণ সময় আৰম্ভ হয় স্বাধীনতাৰ পৰৱৰ্তী কালতহে। অৱশ্যে প্ৰাক্ স্বাধীনতা কালতে লক্ষীধৰ শৰ্মাই 'প্ৰজাপতিৰ ভুল', 'হৃদয়ৰ মূল্য', 'আত্ম সন্মান' ইত্যাদি, হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই 'বন্তি', 'জাগ্ৰত দেৱতা', 'আবিষ্কাৰ', সত্যপ্ৰসাদ বৰুৱাই 'কল্পনাৰ মৃত্যু' ইত্যাদি একাংকিকা নাটক লিখি উলিয়াইছিল। হ'লেও এই সময়ছোৱাত অসমীয়া একাংকিকা নাটকৰ সৃষ্টি তেনেই চালুকীয়া অৱস্থাত আছিল। স্বাধীনতা পৰৱৰ্তী কালত যথেষ্ট সংখ্যক নাট্যকাৰে এই ধাৰাটোক আগবঢ়াই লৈ যায়। তাৰ ভিতৰত প্ৰবীন ফুকনৰ 'ফেৰীৱালা', 'তমসা ৰাতি', 'চকৰী'; লক্ষ্যধৰ চৌধুৰীৰ 'এনিশাৰ অতিথি'; সত্যপ্ৰসাদ বৰুৱাৰ 'কুণাল কাঞ্চন', 'ৰাণাদিল', 'শ্বাশ্বতী'; বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ভাৰতী'; যোগেন চেতিয়াৰ 'ধানটো-পতানটো', 'সতৰ্ক প্ৰহৰী', বীনা বৰুৱাৰ 'এবেলাৰ নাট'; ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ভাওনা', 'পুতলাৰ নাচ', হোমেন বৰগোহাঞিৰ 'ৰতনপুৰত গধূলি'; অখিল চক্ৰবৰ্তীৰ 'মাণিক বিচাৰি', 'এনিশাৰ কাহিনী', আলি হাইদৰৰ 'এটা চোলাৰ কাহিনী', 'অহৈতুকী স্বদেশ প্ৰীতি', 'নৈশ যুদ্ধ'; মনোজ কুমাৰ গোস্বামীৰ 'মই ক্লীৱ'; সপোনজ্যোতি ঠাকুৰৰ 'কাৰ্যালয় চলিছে', 'কবিতাৰ মৃত্যু' ইত্যাদি একাংকিকাৰ নাম উল্লেখযোগ্য।

আমাৰ গৱেষণা-পত্ৰত অসমীয়া একাংকিকা নাটকলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা নাট্যকাৰ যোগেন চেতিয়াৰ 'ধানটো-পতানটো'ৰ এটি বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই বিশ্লেষণে নাট্যকাৰ হিচাপে চেতিয়াৰ প্ৰতিভা আৰু আংগিকৰ দিশৰ পৰা আলোচ্য নাটকখনৰ স্বৰূপ স্পষ্ট কৰি তুলিব।

## ১.২ অধ্যয়নৰ উদ্দেশ্য

আংগিকগত দিশৰ পৰা অসমীয়া একাংকিকা নাটকৰ সাৰ্থক নিদৰ্শন হিচাপে যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকৰ এটি বিশ্লেষণ কৰাটোৱেই আমাৰ গৱেষণা-পত্ৰৰ প্ৰধান উদ্দেশ্য।

## ১.৩ অধ্যয়নৰ পদ্ধতি

'একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে যোগেন চেতিয়াৰ 'ধানটো-পতানটো'ৰ এটি বিশ্লেষণ ' শীৰ্ষক গৱেষণা-পত্ৰখন যুগুত কৰোঁতে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

## ২.০ নাট্যকাৰ যোগেন চেতিয়া

একাধাৰে নাট্যকাৰ, মঞ্চ আৰু অনাতাঁৰ নাট্যশিল্পী, নাট পৰিচালক, নাট্য সমালোচক, প্ৰাবন্ধিক যোগেন চেতিয়া অসমীয়া নাট্য সাহিত্যৰ এটি পৰিচিত নাম। এইগৰাকী নাট্যকাৰে অসমীয়া সামাজিক আৰু একাংক নাটকৰ সৃষ্টি আৰু জনপ্ৰিয়তাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ প্ৰকাশিত নাটককেইখন হ'ল— 'ধানটো-পতানটো', 'চেনেহৰ সোঁতা', 'সতৰ্ক প্ৰহৰী', 'এক কথা', 'সৰু কথাই বৰ', 'ভাকুটকুট', 'ৰজা ইডিপাছ', আৰু 'কোকলোঙা'। ইয়াৰে কেইখনমান নাটক বিদেশী নাটকৰ অভিযোজনা। 'চেনেহৰ সোঁতা' নাটকখন ইংৰাজী নাট্যকাৰ Stanley Houghton-ৰ 'The Dear Departed' নাটকৰ ৰূপান্তৰ। তেনেদৰে 'সতৰ্ক প্ৰহৰী' নাটকখন বিখ্যাত স্পেনীয় সাহিত্যিক মেগুৱেল ডি ছাৰ্ভেন্টিছৰ 'The Vigilant Sentinel' নাটকৰ অসমীয়া অভিযোজনা। তদুপৰি গ্ৰীক নাট্যকাৰ চফ'ক্লিছৰ 'ৰজা ইডিপাছ' আৰু ফৰাচী সাহিত্যৰ শ্ৰেষ্ঠ কমেডি নাট্যকাৰ মলিয়েৰৰ 'কোকলোঙা' যোগেন চেতিয়াৰ আন দুখন অনূদিত নাটক। উল্লেখযোগ্য যে নাট্যকাৰ চেতিয়াই শিশু নাট ৰচনাতো হাত দিছিল। 'ভাকুট কুট' তেখেতৰ একমাত্ৰ শিশু নাটৰ সংকলন। পৰৱৰ্তী সময়ত নাট্যকাৰগৰাকীৰ তিনিখন একাংকিকা নাট আৰু দুখন অনূদিত নাটকেৰে 'যোগেন চেতিয়াৰ নিৰ্বাচিত একাংকিকা' শীৰ্ষকেৰে একত্ৰ সংকলন এটিও প্ৰকাশ হৈ ওলাইছে।

এজন সুদক্ষ নাট্য সমালোচক হিচাপেও যোগেন চেতিয়াই অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত নিজ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। তেখেতে ৰচনা কৰা নাট্যকলাৰ দিশ নিৰ্ণয়কাৰী গ্ৰন্থ দুখন হৈছে — 'আধুনিক নাট্য-কলা' আৰু 'নাটকৰ ৰূপ-ৰীতি আৰু মঞ্চায়ন'।

মন কৰিবলগীয়া যে চেতিয়াৰ প্ৰায়কেইখন নাটকৰে ৰচনা তথা প্ৰকাশৰ চন, তাৰিখ সম্পৰ্কে স্পষ্ট তথ্য পোৱা নাযায়। আমাৰ আলোচ্য 'ধানটো-পতানটো' শীৰ্ষক নাটকখনো ইয়াৰ ব্যতিক্ৰম নহয়। 'যোগেন চেতিয়াৰ নিৰ্বাচিত একাংকিকা' সংকলনটিৰ 'মোৰ দুআষাৰ'ত লেখকে নাটকখনৰ প্ৰকাশৰ সময় নিৰ্ধাৰণ কৰি এইদৰে কৈছে—

> *সাহিত্য অকাডেমীয়ে প্ৰকাশ কৰা আৰু সত্যপ্ৰসাদ বৰুৱাই সংকলন আৰু সম্পাদনা কৰা ১৯৯১ চনত প্ৰকাশিত 'অসমীয়া নাট্য সংকলন'ত ধানটো-পতানটো নাটকখনি প্ৰকাশিত হৈছে। শিৱসাগৰৰ ৰংপুৰ সাহিত্য সভায়ো এই নাটকখনিৰ এটি সংকলন প্ৰকাশ কৰিছে।*

সি যিয়েই নহওক, সংখ্যাত কম হ'লেও যুগান্তকাৰী নাটক ৰচনাৰে যোগেন চেতিয়াই অসমীয়া নাট্য জগতৰ এচোৱা সোণালী সময় সমৃদ্ধ কৰিলে।

## ৩.০ 'ধানটো-পতানটো' নাটকৰ বিষয়বস্তু

গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত যোগেন চেতিয়াৰ এখন উল্লেখযোগ্য নাটক হৈছে 'ধানটো-পতানটো'। ক্ষমতাশালী লোকৰ সুবিধাবাদী তথা দুৰ্নীতিপৰায়ণ মনোভাব, ভণ্ডামি, প্ৰবঞ্চনা আদি দিশবোৰক বিষয়বস্তুৰ মাজলৈ আনি নাট্যকাৰে এই নাটকখন ৰচনা কৰিছে। গাঁৱৰ ৰাজহুৱা পুখুৰী এটাৰ পাৰৰ সামান্য ঘটনা এটিক কেন্দ্ৰ কৰিয়েই নাট্য কাহিনীয়ে গতি লাভ কৰিছে। গাঁৱৰ এগৰাকী সাধাৰণ মহিলা মাকনে পুখুৰীৰ পাৰত কাপোৰ থুকুচি থাকোঁতে দেখিলে পঞ্চায়তৰ সভাপতিৰ পত্নী কনদাই পুখুৰীৰ পানীত মেখেলা জুবুৰীয়াই ধুইছে। গাঁৱৰ ৰাইজৰ সিদ্ধান্ত অনুসৰি ৰাজহুৱা পুখুৰীত এনেবোৰ কাম কৰা নিষিদ্ধ। গতিকে এই আইন ভংগ কৰোঁতাই নিশ্চিতভাৱে দণ্ড ভৰিব লাগিব। মাকনে কনদাৰ সেই কাণ্ড দেখি হৈ-চৈ লগালে আৰু নানা গালি-শপনি পাৰিবলৈ ধৰিলে। তাইৰ দৃষ্টিত কনদা দোষী। গতিকে পঞ্চায়তৰ সভাপতিৰ পত্নী হ'লেও এনে কামৰ উচিত বিচাৰ হ'বই লাগিব। ইফালে কনদাই নতুন কাপোৰহে আওডালিছোঁ বুলি দোষ সাৰিবলৈ যাওঁতে দুয়োৰে মাজত বাক্-বিতণ্ডাৰ সৃষ্টি হৈছে। তেনেতে মাকনৰ গিৰিয়েক টেপুৰামো আহি ঘটনাস্থলীত উপস্থিত হৈছেহি। সুযোগ বুজি টেপুৰামেও মাকনক হয়ভৰ দি কনদাৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰিছে। তেওঁলোকৰ মতে গাঁৱৰ অন্য মানুহে যদি এনে কাম কৰিলেহেঁতেন তেনেহ'লে পঞ্চায়ত বহোৱাই সিহঁতক দণ্ড ভৰোৱালেহেঁতেন। গালি-শপনিৰে অত্যাচাৰ কৰিলেহেঁতেন। কিন্তু এতিয়া স্বয়ং সভাপতিৰ ঘৰৰ মানুহেই এই ভুল কৰিছে, গতিকে ৰাইজে তাৰ বিপক্ষে মাত মাতি যথোচিত শাস্তি প্ৰদান কৰিব লাগে। কথাৰ প্ৰসংগত মাকনে মনৰ ক্ষোভ উজাৰি কৈছে—

> *ঃ ৰাজহুৱা পুখুৰীত ফটা মেখেলা ধুই এতিয়া টেটু ফালি চিঞৰিলেই*
> *আমি মনে মনে থাকিমনে? আমিও নেৰোঁ। মেল চপাম। খোনোক দেখি*
> *ৰান্ধে বাঢ়ে, খোনোক দেখি দুৱাৰ বান্ধিলে নহ'ব।*

(ধানটো-পতানটো, যোগেন চেতিয়াৰ নিৰ্বাচিত একাংকিকা, পৃ. ২২)

আকৌ,

> *ঃ এইদৰে সমাজৰ বান্ধোন ঢিলা কৰাৰ কাৰণেই আমাৰ গাঁও নষ্ট হৈছে।* (উল্লিখিত, পৃ. ২২)

আনহাতে দেখা যায় কনদায়ো নিজৰ ক্ষমতাৰ কথা সোঁৱৰাই দি বিপৰীত পক্ষক না না কটু কথা শুনাইছে আৰু নিজৰ দোষ স্বীকাৰ কৰাৰ পৰাও বিৰত আছে। তেনেতে কনদাৰ স্বামী তথা গাঁৱৰ সভাপতিৰো আগমন ঘটিছে। টেপুৰাম আৰু দিলবৰে সভাপতিক ঘটনাৰ সবিশেষ জনোৱাত তেওঁ কৈছে—

> *ঃ সেইবোৰ বেয়া কথা। সমাজ বিৰোধী কথা। এনে কাম কৰোতাৰ গুৰু*
> *শাস্তি হোৱা উচিত। কিন্তু...* (উল্লিখিত, পৃ. ২৬)

স্বামীৰ তেনে মন্তব্য শুনি কনদাই বিমোৰত পৰি পুখুৰীত জাপ দিছে। দেখা যায় যে কনদাক পানীৰ পৰা তুলি অনাৰ পাছত সভাপতিয়ে ওলোতা খৰ মাৰি প্ৰসংগ সলনি কৰিছে। তেওঁ যুক্তি দৰ্শাই কৈছে কনদাই পুখুৰীত কাপোৰ ধুইছে যদিও, তাই যিহেতু পানীত নামি ধোৱা নাই গতিকে এই ক্ষেত্ৰত কনদা নিৰ্দোষী। পাকে প্ৰকাৰে সভাপতিয়ে কিছুমান বিসংগতিপূৰ্ণ মন্তব্য দাঙি ধৰি মাকনৰ অভিযোগ মিছা বুলি প্ৰমাণিত কৰিবলৈ প্ৰয়াস কৰিছে। তদুপৰি পৰিস্থিতিয়ে গুৰুতৰ ৰূপ ল'লে সিহঁতক ফাটেকত দিয়াৰো হুমকি প্ৰদান কৰিছে। কিন্তু অৱশেষত যেতিয়া দিলবৰে সাহসেৰে কনদাৰ আত্মহত্যাৰ আৰু সভাপতিৰ আইন ভংগৰ

অভিযোগ দিবলৈ থানালৈ যাবৰ বাবে উদ্যত হৈছে তেতিয়া সভাপতি আৰু কনদাই নিজৰ বাক্য সলনি কৰিছে। সিহঁতৰ মুখতে ধানটো মুখতে পতানটোৰ দৰে কথাবোৰ সহি থাকিব নোৱাৰি দিলবৰৰ নেতৃত্বত গাঁৱৰ আন আন ৰাইজো লগ লাগি সভাপতি আৰু কনদাক পঘাৰে বান্ধি গাঁৱৰ মাজেৰে টানি লৈ যায়। ইমানতে নাটকখনৰ কাহিনীৰ পৰিসমাপ্তি ঘটিছে। সমাজৰ দুৰ্নীতি, ভণ্ডামি, ক্ষমতাৰ অপপ্ৰয়োগ আদি দিশবোৰক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকত নাট্যকাৰৰ দুৰ্নীতি নিৰ্মূলকামী মানসিকতা, সমাজহিতকৰ চিন্তা তথা প্ৰতিবাদী মনোভাবৰো বহিৰ্প্ৰকাশ ঘটাইছে।

## ৪.০ একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে 'ধানটো-পতানটো'ৰ এটি বিশ্লেষণ

### ৪.০১ একাংকিকাৰ স্বৰূপ

এক অংকত পৰিসমাপ্তি ঘটা স্বল্প আয়তনৰ নাটকেই হৈছে একাংকিকা। কৰ্মব্যস্ত জীৱনত কম সময়তে মানুহক আনন্দ প্ৰদান কৰাৰ প্ৰয়াসতে একাংকিকাৰ জন্ম বুলি ক'ব পাৰি। একেটা অংকতে আৰম্ভ হৈ একেটা অংকতে নাটকীয় কাহিনীয়ে পৰিসমাপ্তি লাভ কৰাৰ বাবে এই শ্ৰেণীৰ নাটকক একাংকিকা বুলি কোৱা হয় যদিও পাঁচ অংকীয়া নাটকৰ সংক্ষিপ্ত ৰূপটোক একাংকিকা বুলিব নোৱাৰি। যিদৰে চুটিগল্প আৰু উপন্যাসৰ মাজত কৌশলগত পাৰ্থক্য বিদ্যমান সেইদৰে পূৰ্ণাগ নাটক আৰু একাংকিকাৰো সুক্ষ্ম পাৰ্থক্য অনুধাৱন কৰিব পাৰি। সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া নাট্য সাহিত্য'ত এইদৰে কৈছে —

> *জীৱনৰ একোটি নিমেষ, একো একোটি মহত্ত্বপূৰ্ণ ঘটনা, এক বিশেষ পৰিস্থিতি, কোনো উদ্দীপ্ত ক্ষণ বা চৰিত্ৰৰ একোটি ৰূপৰ অভিব্যক্তি ইয়াত পোৱ যায়। নাট্যকাৰে জীৱনৰ খণ্ডিত টুকুৰা (Slice of life) বুটলি আনি ৰূপদক্ষ শিল্পীৰ দৰে ৰূপ দিয়ে।* (পৃ. ৩৫৩-৩৫৪)

পূৰ্ণাংগ নাটকৰ দৰে একাংকিকাতো আটাইবোৰ নাট্যগুণৰ সুপ্ৰয়োগ হোৱাটো বাঞ্চনীয়। এটা সুন্দৰ কাহিনী, ঘটনাৰ ঘাত-প্ৰতিঘাত, নাটকীয় উৎকণ্ঠা আৰু চমকপ্ৰদ পৰিস্থিতিৰ অন্তত কাহিনীৰ পৰিসমাপ্তি। তদুপৰি ভাবব্যঞ্জক সংলাপৰ প্ৰয়োগ আৰু চৰিত্ৰ চিত্ৰণো একাংকিকাৰ গুৰুত্বপূৰ্ণ উপাদান। কিন্তু আয়তনৰ সংক্ষিপ্তিৰ বাবে পূৰ্ণাংগ নাটকৰ বিপৰীতে ইয়াত নাটকীয় স্তৰৰ ব্যাপ্তি সীমিত আৰু গতিয়ো দ্ৰুত। এই প্ৰসংগত সত্যপ্ৰসাদ বৰুৱাই তেখেতৰ অভিমত ব্যক্ত কৰিছে এইদৰে —

> *এটা অংকৰ ঠেক পৰিসৰত এই নাটকীয় গুণবোৰৰ সুপ্ৰয়োগ কৰিবলগীয়া হোৱাত একাংক নাটক লিখাৰ কাম দৰাচলতে পূৰ্ণাংগ নাট লিখোঁতাতকৈ বেছি টানহে হৈ পৰে। তেওঁৰ লিখনি হ'ব লাগিব অতি সংযত, কেনেধৰণৰ কাহিনী পৰিবেশন কৰিব তাকো ভাবি-গুণিহে স্থিৰ কৰিব লাগিব। চৰিত্ৰৰ সংখ্যাও কম হ'ব লাগিব অথচ নাটকত থাকিব লাগিব তীব্ৰ সংঘাতজনিত শীৰ্ষবিন্দু-ক্লাইমেক্স।...তদুপৰি নাটকখন শেষ হোৱাৰ পাছত দৰ্শক-পাঠকে বুজিব পাৰিব লাগিব যে এটা ঘটনাচক্ৰ সম্পূৰ্ণ হ'ল।*
>
> (নাটক আৰু অভিনয় প্ৰসংগ, পৃ. ১২৪)

একাংকিকা চৰিত্ৰপ্ৰধান, ভাৱপ্ৰধান, পৰিবেশপ্ৰধান অথবা হাস্যৰসাত্মক আদি যিকোনো ধৰণৰ হ'ব পাৰে। এই শ্ৰেণীৰ নাটকত দুই বা তাতোধিক চৰিত্ৰ থাকিলেও কিন্তু এটা চৰিত্ৰৰ বিকাশতহে অধিক গুৰুত্ব দিয়া হয়।

## ৪.০২ একাংকিকা নাটকৰ আংগিকেৰে 'ধানটো-পতানটো'

অসমীয়া একাংকিকা নাটকক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। অনুবাদ আৰু মৌলিক। মৌলিক নাটকৰ সৰহভাগেই কমেডিজাতীয়। গাঁৱলীয়া মেল, পাৰিবাৰিক চিত্ৰ, নিম্ন মধ্যবিত্ত জীৱনৰ পৰিহাস, ধনলিপ্সা, গ্ৰাম্য জীৱনৰ অন্যান্য দিশসমূহ চিত্ৰিত কৰাৰ প্ৰয়াসেই মৌলিক একাংকিকা নাটকসমূহত দেখা যায়। আমি আলোচনা কৰিবলৈ লোৱা যোগেন চেতিয়াৰ 'ধানটো-পতানটো' ইয়াৰ সাৰ্থক নিদৰ্শন। নাটকখনত উল্লিখিত দিশসমূহৰ প্ৰতিফলন ঘটিছে।

'ধানটো-পতানটো' নাটকখনত একাংকিকা নাটকৰ বিকাশৰ চাৰিটা স্তৰ লক্ষ্য কৰা যায়। অৱশ্যে একাংকিকাৰ উপৰি অন্যান্য নাটকো এই চাৰিটা স্তৰৰ মাজেদিয়েই বিকশিত হয়। সেই স্তৰ চাৰিটা হৈছে — প্ৰাৰম্ভ, বিস্তাৰ, উৎকৰ্ষ আৰু অপকৰ্ষ। প্ৰাৰম্ভত সংক্ষিপ্তভাৱে নাটকৰ ঘটনাস্থিতিৰ পৰিচয় প্ৰদান কৰা হয়। যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকখনৰ প্ৰাৰম্ভ স্তৰ সংক্ষিপ্ত। নাট্যকাৰে ঘটনাস্থিতিৰ পৰিচয় প্ৰদান কৰিছে এনেদৰে—

> *গাঁৱৰ এটা পুখুৰীৰ পাৰ। এখন 'চাইনবৰ্ড' পাৰতে পোতা আছে। পাৰত মাকনে কাপোৰ ধুই আছে। পুখুৰীৰ দলঙেদি কনদা নামি যায় আৰু অদৃশ্য হৈ পৰে।* (উল্লিখিত, পৃ. ২১)

বিস্তাৰ স্তৰত নাটকীয় ভাবৰ দ্বন্দ্বাত্মক বিকাশৰ পথ মুকলি কৰি দৰ্শকৰ ঔৎসুক্য সৃষ্টি কৰিব লাগে। একাংকিকাত প্ৰাৰম্ভ আৰু বিস্তাৰ — এই স্তৰ দুটা প্ৰায়ে সংযোগ হৈ থকা দেখা যায়। 'ধানটো-পতানটো' নাটকখনতো প্ৰাৰম্ভৰ স্তৰতে সমাজৰ আইন ভংগ হৈছে। ইয়াৰ ফলস্বৰূপে নাটকখনৰ দুটি নাৰী চৰিত্ৰ ক্ৰমে মাকন আৰু কনদাৰ মাজত বিবাদৰ সূত্ৰপাত ঘটিছে। এই বিবাদে বিস্তাৰ স্তৰত দ্বন্দ্বাত্মক ৰূপ লাভ কৰিছে আৰু এই দ্বন্দ্বৰ ক্ৰমাৎ বৃদ্ধিয়ে দৰ্শকৰ মনত ঔৎসুক্য সৃষ্টি কৰিছে। 'ধানটো-পতানটো' নাটকখনত দেখা যায় মাকনৰ গিৰিয়েক টেপুৰাম আহি যেতিয়া মাকনৰ পক্ষ লৈ কনদাক ৰাজহুৱা পুখুৰীত কাপোৰ ধোৱাৰ দৰে নিন্দনীয় অপকৰ্ম কৰাৰ বাবে জেলত ভাত খুওৱাৰ হুমকি দিছে আৰু দিলবৰেও গুৰু-গোসাঁই নামানিব বুলি চিঞৰি উঠিছে তেতিয়াই সম্ভাব্য পৰিস্থিতিয়ে দৰ্শকৰ মনত কৌতূহলৰ উদ্ৰেক কৰে।

উৎকৰ্ষ স্তৰত নাটকীয় ভাব আৰু দ্বন্দ্বই শীৰ্ষবিন্দুলৈ আৰোহণ কৰে। নাট্যকাৰ চেতিয়াই 'ধানটো-পতানটো' নাটকত প্ৰাৰম্ভ স্তৰত যি ঘটনাৰ অৱতাৰণা কৰিছিল, উৎকৰ্ষ স্তৰত সেই ঘটনাই শীৰ্ষ বিন্দুত উপনীত হৈছে। উদাহৰণস্বৰূপে দেখা যায়— মাকন, টেপুৰাম আৰু দিলবৰে কনদাৰ আইন ভংগকাৰী কৰ্মৰ বিৰোধিতা কৰি বাক্-বিতণ্ডাত লিপ্ত হৈ থাকোঁতে এটা সময়ত কনদাৰ স্বামী অৰ্থাৎ গাঁওখনৰ পঞ্চায়তৰ সভাপতি ঘটনাস্থলীত উপস্থিত হৈছেহি। ঘটনাৰ বুজ লৈ যেতিয়া সভাপতিয়ে এনেদৰে কৈছে —

> *ঃ সেইবোৰ বেয়া কথা, সমাজ-বিৰোধী কথা। এনে কাম কৰোঁতাৰ গুৰু শাস্তি হোৱা উচিত।* (উল্লিখিত, পৃ. ২৬)

উক্ত কথাষাৰ শুনি যেতিয়া কনদা জীয়াই নাথাকো বুলি পুখুৰীৰ ফালে নামি গৈছে তেতিয়াই নাট্যকথাই শীৰ্ষতাৰ চৰম বিন্দুলৈ গতি কৰিছে। নাট্য উৎকণ্ঠা উদ্রেককাৰী এই ঘটনাই 'ধানটো-পতানটো' নাটকখনৰ কাহিনীক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। সামান্য ঘটনা এটাৰ জৰিয়তে সমাজৰ বৰ বৰ মানুহৰ স্বৰূপ উদঙাই দেখুওৱাৰ যি প্ৰচেষ্টা, সেই প্ৰচেষ্টাই নাট্যকাৰৰ সুক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা আৰু সুদক্ষতাৰে প্ৰমাণ দাঙি ধৰে।

অপকৰ্ষ স্তৰত নাটকীয় উৎকণ্ঠা প্ৰশমিত হয় আৰু নাট্যকথাৰ অন্তিম অৱস্থা প্ৰদৰ্শিত হয়। 'ধানটো-পতানটো' নাটকখনত সমাজবিৰোধী, আইন-বিৰোধী লোকৰ শাস্তিৰে নাট্য কাহিনীৰ পৰিসমাপ্তি ঘটিছে। অৰ্থাৎ কাহিনীৰ অগ্ৰগতিত দিলবৰৰ সাহসী প্ৰস্তাৱ মানি লৈ টেপুৰাম আৰু মাকনে শেষত সমাজৰ আইন ভংগকাৰী কনদা আৰু সভাপতিৰ কুকৰ্মৰ অভিযোগ থানাত দাখিল কৰিবলৈ উদ্যত হৈছে। দেখা যায় সেই সময়ত নাটকীয় কাহিনীয়ে পূৰ্বৰ কৌতূহল, উৎকণ্ঠা আদি হেৰুৱাইছে আৰু সমাপ্তিৰ দিশলৈ গতি কৰিছে। সমাজৰ দুৰ্নীতি নিৰ্মূল কৰিবৰ বাবে শেষত সকলো একত্ৰিত হৈ ওলাই আহিছে আৰু অপৰাধীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি পঘাৰে বান্ধি গাঁৱৰ মাজেৰে চুঁচৰাই লৈ গৈছে। এই প্ৰসংগত দিলবৰৰ এষাৰ উক্তি প্ৰণিধানযোগ্য। সভাপতিয়ে ফুলৰ মালা পিন্ধা দিঙিত যেতিয়া গৰুৰ পঘা আঁৰিবলগা হোৱাৰ বাবে আপত্তি কৰিছে, তেতিয়া দিলবৰে কৈছে—

*ঃ ফুলৰ মালাৰ মূল্য নুবুজা মানুহক গৰুৰ পঘাৰ জুতি বুজাব লাগে। ( উল্লিখিত, পৃ. ৩০)*

অৰ্থাৎ সাধাৰণ নাগৰিকে ক্ষমতাশালী লোকৰ সমুখত সকলো পৰিস্থিতিতে শিৰ নত কৰি নাথাকি তেওঁলোকৰ ভুল তথা দুষ্কৰ্মৰ বিৰুদ্ধাচৰণ কৰাৰ সাহসেৰে যে সাহসী হ'ব লাগে, অন্যায়ৰ প্ৰতিবাদ কৰি সমাজখনত সুস্থ বাতাবৰণ সৃষ্টি কৰাৰ প্ৰতি যে সচেষ্ট হোৱা উচিত, নাটকখনত দিলবৰৰ উক্তিয়ে তাৰেই নিদৰ্শন দাঙি ধৰিছে। একেবাৰে শেষত নাট্যকাৰে দেখুৱাইছে গদৰাম, দিলবৰহঁতে দুৰ্নীতি নিৰ্মূলকামী শ্ল'গান দি সভাপতি আৰু কনদাক টানি টানি লৈ গৈছে। ইমানতে নাট্য-কাহিনীৰ পৰিসমাপ্তি ঘটিছে। এই স্তৰত নাট্যকাৰে আইনৰ বিৰোধিতা কৰি সমাজক বিপথে পৰিচালিত কৰা লোকৰ উচিত শাস্তি প্ৰদানেৰে দৰ্শক-পাঠকক নাটকখনৰ ইতিবাচক পৰিসমাপ্তিৰ ইংগিতেৰে সন্তুষ্টি দিবলৈ প্ৰয়াস কৰা দৃষ্টিগোচৰ হয়।

একাংকিকা নাটকৰ আংগিকগত বিশেষত্ব অনুসৰি ইয়াত কাহিনী বিকাশৰ কোনো ধৰা-বন্ধা নিয়ম নাথাকিলেও কাহিনী প্ৰসাৰৰ অৱকাশো সীমিত। চুটিগল্পৰ দৰে একাংকিকাৰো আয়তন এক নিৰ্দিষ্ট গণ্ডীত সীমাবদ্ধ। সেইবাবে একাংকিকা নাটকত জীৱনৰ কোনো এক পৰিস্থিতিৰ খণ্ডিত ৰূপেহে শীল্পিত আভিব্যক্তি লাভ কৰে। যোগেন চেতিয়াৰ ধানটো-পতানটো নাটকখনৰ ক্ষেত্ৰত ক'ব পাৰি কেইটামান চৰিত্ৰৰ সৈতে একোটা মাত্ৰ পৰিস্থিতিক কেন্দ্ৰ কৰিয়েই নাটকখন। এই পৰিস্থিতিটোৰ মাজতে গাঁৱৰ সমাজ-জীৱনৰ প্ৰতিফলন ঘটিছে। নাটকখনৰ কাহিনীৰ আৰম্ভণি হৈছে গাঁৱৰ এটা পৰিৱেশ— পুখুৰীৰ পাৰত মাকন আৰু কনদাৰ কথোপকথনৰ মাজেৰে। পৰিৱেশ সুৰক্ষা আৰু তাৰ বাবে জনসাধাৰণৰ কৰণীয় নীতিৰ শিক্ষা দিয়া তথাকথিত পঞ্চায়তৰ সভাপতিৰ ফোঁপোলা, ভণ্ড চৰিত্ৰটো নাটকখনৰ মাজেৰে অভিব্যক্ত হৈছে। গাঁৱৰ ৰাজহুৱা পুখুৰীত ফটা মেখেলা ধুই সভাপতিৰ ঘৈনীয়েকে মিছা মাতি চুবুৰীয়া মাকনৰ সৈতে দ্বন্দ্বত লিপ্ত হৈছে। এই দ্বন্দ্বত গাঁৱলীয়া নাৰীৰ সহজাত প্ৰবৃত্তি চৰিত্ৰ দুটাৰ মাজেৰে প্ৰতিফলিত হৈছে। এই সাধাৰণ দ্বন্দ্বৰ ৰূপায়নতেই নাট্যকাৰে নাটকখনত এক গভীৰ সামাজিক সমস্যাৰ স্বৰূপ উত্থাপন কৰি ইয়াৰ সমাধান সূত্ৰৰো সম্ভেদ দিবলৈ যত্নপৰ হৈছে।

একাংকিকা নাটকত ঐক্য, একাগ্রতা আৰু সংহতি নিতান্তই প্ৰয়োজন। ভাবনাৰ ঐক্যই দৰ্শক বা পাঠকৰ মনত একক প্ৰভাৱ পেলায়। আচলতে চুটিগল্পৰ দৰে লক্ষ্যৰ একমুখিতা একাংকিকাৰো বিশেষত্ব। একাংকিকাৰ এই বিশেষত্ব অনুসৰি 'ধানটো-পতানটো' নাটকখনৰো মূল লক্ষ্য এটাই। সেইটো হৈছে গাঁৱৰ সৰ্বত্ৰে ইফাল-সিফাল কৰি থকা দুৰ্নীতিকাৰী সমাজ-বিৰোধী পঞ্চায়তৰ সভাপতিৰ ফোঁপোলা মানসিকতাক প্ৰকাশ কৰা। এই লক্ষ্যই সাময়িক সমাজখনৰ মানসিকতাকো উদঙাই দেখুৱাইছে। **বৰ মানুহৰ বাবে সামাজিক আইন-কানুন নাই। সেইবোৰ কেৱল গাঁৱৰ সাধাৰণ মানুহৰ বাবেহে। সেই কাৰণে কনদাই পুখুৰীত মেখেলা ধুলেও একো নহয় অথচ সেইটো পুখুৰীত টেপুৰামৰ গাৰপৰা গামোচাখন পিচলি পৰিলতে পঞ্চায়তে পাঁচ টকা জৰিমনা ভৰালে।** নাটকখনত মাকনে কনদাক কোৱা এষাৰ উক্তিত এই কথাৰ নিদৰ্শন ফুটি উঠিছে। যথা—

> *ঃ সিবাৰ আমাৰ কেৰকণৰ বাপেকৰ কান্ধৰ পৰা গামোছাখন পিছলি পানীত পৰিছিল মাথোন তাতে পঞ্চায়ত বহুৱাই পাঁচ টকা দণ্ড ভৰালে। থিৰেশ্বৰী বেচেৰী পিছলিহে দলঙৰপৰা পুখুৰীত পৰিছিল তাতে তুমিয়েই দেখোন কুকুৰে কাঁইট নোখোৱা কৰি গালি পাৰিছিলা। এতিয়া আমি এইবোৰ এৰি দিব নোৱাৰোঁ। (উল্লিখিত, পৃ. ২১-২২)*

এনেদৰে চলি থকা আজিৰ সমাজখনৰ ভণ্ডামিবোৰক চকুৰ আগলৈ অনাটোৱেই নাট্যকাৰৰ মূল উদ্দেশ্য।

একাংকিকা নাটকত নাট্যকাৰে নাটকৰ বিষয়বস্তুৰ বিভিন্ন অংশক নিয়ন্ত্ৰণ কৰা উচিত। একাংকিকা নাটকত জীৱনৰ যিবোৰ খণ্ডিত অংশক প্ৰকাশৰ বাবে নাট্যকাৰে বাছি লয় সেইবোৰৰ মাজত পাৰস্পৰিক সামঞ্জস্য আৰু সমন্বয় স্থাপন কৰা হয়।

'ধানটো-পতানটো' নাটকখনত নাট্যকাৰৰ লক্ষ্য স্পষ্ট কৰি তুলিবৰ বাবে নাটকখনৰ আৰম্ভণিতে গাঁৱৰ এটা পুখুৰীৰ পাৰ বাছি লোৱা হৈছে। পাৰতে চাইনব'ৰ্ড এখন পোতা আছে। মঞ্চ উপযোগীকৈ ৰচনা কৰা বাবে নাট্যকাৰে নাটকখনত উল্লেখ কৰিছে —

> *ঃ পাৰত মাকনে কাপোৰ ধুই আছে। পুখুৰীৰ দলঙেদি কনদা নামি যায় আৰু অদৃশ্য হৈ পৰে।* (উল্লিখিত, পৃ. ২১)

— এই দৃশ্যটো পৰৱৰ্তী দৃশ্যবোৰৰ পৰা বিচ্ছিন্ন নহয়। বৰঞ্চ এই দৃশ্যটোৱে পৰৱৰ্তী দৃশ্যবোৰৰ মাজত পাৰস্পৰিক সামঞ্জস্য ৰক্ষা কৰাত সহায়হে কৰিছে।

একাংকিকা নাটকত বিভিন্ন স্তৰৰ মাজত কলাত্মক সমন্বয়ে দৰ্শকৰ ধ্যানাকৰ্ষণ বা উৎকণ্ঠা প্ৰথমৰ পৰা শেহলৈকে অব্যাহত ৰখাত সহায় কৰে। 'ধানটো-পতানটো' নাটকখনতো বিভিন্ন স্তৰৰ মাজত সংহতি ৰক্ষিত হৈছে। প্ৰতিটো স্তৰেই দৰ্শকৰ মনত উৎকণ্ঠা এটি প্ৰবাহিত কৰি থাকিব পৰাকৈ সক্ষম। নাটকখনৰ আৰম্ভণিতে মাকন আৰু কনদাৰ তৰ্কৰ মাজতে আকস্মিকভাৱে নাট্যকাৰে কৌশলেৰে গদৰাম চৰিত্ৰটোৰ প্ৰৱেশ ঘটাইছে। এই চৰিত্ৰটোৰ যোগেদি হাস্যৰস উদ্ৰেক কৰাৰ প্ৰয়াসেই অনুভূত হয়। কনদাই যেতিয়া নিজৰ দোষ সাৰি গদৰামক আপত্তি কৰিছে, গদৰামৰ মুখত তেতিয়া নাট্যকাৰে অপ্ৰাসংগিক সংলাপ এফাঁকিৰ প্ৰয়োগ কৰিছে। কাণেৰে কম শুনা গদৰামে কৈছে—

> *ঃ নাই গৰুটো আজি বান্ধি থৈছোঁ। আগৰ পঘাডাল পচা আছিল।* (উল্লিখিত, পৃ. ২২)

নাট্য পৰিস্থিতিৰ লগত অপ্ৰাসংগিক এই সংলাপটোৱে হাস্যৰসৰ উদ্ৰেক কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত গদৰামে কেনে সংলাপ প্ৰয়োগ কৰিব দৰ্শক-পাঠকৰ মনত সেয়া এক উৎকণ্ঠা হৈ ধৰা দিয়ে।

তেনেদৰে টেপুৰাম চৰিত্ৰটোৰ আগমনে আৰু কনদাৰ সৈতে টেপুৰামৰ বাক্-বিতণ্ডাই সম্ভাব্য কাজিয়াৰ আশংকাত দৰ্শক-পাঠকক উৎকণ্ঠিত কৰি তোলে। আনহাতে দিলবৰ চৰিত্ৰটোৰ আকস্মিক আবিৰ্ভাৱত চৰিত্ৰটোৰ নাটকখনত বিশেষ ভূমিকা আছে নেকি এই ভাবেও দৰ্শক-পাঠকক উৎকণ্ঠিত নকৰাকৈ নাথাকে। সভাপতিয়ে শেষত কেনে বিচাৰ কৰিব, নিজ পত্নীৰ নীতি-বিৰুদ্ধ আচৰণত সভাপতিৰ ৰায় কেনে হ'ব ইও দৰ্শক-পাঠকৰ আগত উৎকণ্ঠাৰ কাৰক হৈ ধৰা দিয়েহি। নাটকখনত কনদাই যেতিয়া কয়—

> ঃ *কি তুমিও মোক তেনেকৈ কথা ক'বলৈ আহা। মইনো জীয়াই আছোঁ কেলেই ঔ...* (উল্লিখিত, পৃ. ২৬)

— আৰু পুখুৰীৰ ফালে নামি যায়, তেতিয়াই উৎকণ্ঠাৰ চৰম শীৰ্ষলৈ উত্তৰণ ঘটে।

'ধানটো-পতানটো' নাটকখনৰ সৰ্বত্ৰে বিয়পি থকা উৎকণ্ঠাৰ উপশম ঘটে নাটকখনৰ পৰিসমাপ্তিত। নাটকখনত নাট্যকাৰে দৰ্শকৰ কৌতূহল, উদ্বিগ্নতা আদি ক্ৰমাৎ বৃদ্ধি কৰি স্বাভাৱিক পদ্ধতিৰে সেইবোৰৰ নিবৃত্তি ঘটাবলৈ সক্ষম হৈছে।

একাংকিকা নাটকত একাধিক দৃশ্যৰ অৱতাৰণাৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাই। বিষয়বস্তুৰ প্ৰকৃতিৰ ওপৰত বহু পৰিমাণে এই যুক্তি নিৰ্ভৰ কৰে। কিন্তু আটাইবোৰ ঘটনাই লক্ষ্যৰ একক বিন্দুত অৱগাহন কৰাটো বাঞ্ছনীয়। যোগেন চেতিয়াৰ 'ধানটো-পতানটো'ত নাট্যকাৰে এটা মাত্ৰ পৰিস্থিতিতেই কেইবাটাও মূল জাতীয় সমস্যাৰ বিচাৰ কৰিবলৈ প্ৰয়াস কৰিছে। সহজ-সৰল মানুহক আভুৱা দি এচাম দুৰ্নীতিকাৰীয়ে কেনেদৰে সকলো সুবিধা ভোগ কৰি আছে নাটকখনৰ জড়িয়তে সেই কথা পোহৰলৈ অনা হৈছে। নাটকখনত সভাপতিৰ দুটামান বক্তব্যত ৰাজনৈতিক অপশক্তিৰ প্ৰভাৱশালী ৰূপটো দৃশ্যমান হৈছে। উদাহৰণস্বৰূপে—

> ঃ *তোমালোকে আজিকালি বৰ কথা ক'বলৈ যোৱা হে।...প্ৰতিক্ৰিয়াশীল হৈ বৰ বক্তৃতা দিয়াত আছা। জানিছোঁ নহয় তোমালোকৰ পিছত ৰাজনৈতিক দলৰ চক্ৰান্ত আছে। (উল্লিখিত, পৃ. ২৭)*

আকৌ আন এক প্ৰসংগত তেখেতে এইদৰে কৈছে —

> ঃ *বুজিছোঁ চাৰিওফালে প্ৰতিক্ৰিয়াশীল শক্তিৰ চক্ৰান্ত। মোক পঞ্চায়তৰ সভাপতিৰ পদৰ পৰা আঁতৰাবৰ কাৰণে বিদেশী শক্তিয়েও উঠি পৰি লাগিছে। (উল্লিখিত, পৃ. ২৯)*

সভাপতিৰ এনে মন্তব্যই ৰাজনৈতিক শক্তিৰ অন্তৰালৰ পংকিল ৰূপটো বাস্তৱসন্মতভাবে উদ্ভাসিত কৰিছে। নাটকখনৰ ভাষা তীব্ৰ ব্যঞ্জনাময়। ইয়াত কাৰোবাৰ কাণ কলা হোৱাটোও একপ্ৰকাৰৰ ব্যঞ্জনা। পুখুৰীটো, দলংখন আদি সকলোৱেই নাটকখনত একো-একোটা চৰিত্ৰৰ দৰে।

যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকখনত নাট্যকাৰৰ সমাজ-সংস্কাৰকামী মনোভাবৰ পৰিস্ফুৰণ ঘটিছে চৰিত্ৰৰ মুখৰ সংলাপৰ জড়িয়তে। মাকন আৰু দিলবৰৰ বক্তব্য পৰোক্ষভাবে নাট্যকাৰৰে বক্তব্য। সমাজৰ তথাকথিত স্খলিত ৰূপটোৱে যে নাট্যকাৰৰ মনত বাৰুকৈয়ে আঘাত দিছিল আৰু এইবোৰৰ নিৰ্মূলকৰণৰ দায়িত্বৰ প্ৰতিও যে তেওঁ সচেতন আছিল 'ধানটো-পতানটো' নাটকখন ৰচনাৰ মূল উদ্দেশ্যতে সেই মনোভংগী নিহিত হৈ আছে। নাটকখনৰ এঠাইত মাকনে কৈছে—

*ঃ তোমালোকে পঞ্চায়তী সভাপতি ঘৰৰ মানুহ হৈ নিয়ম ভংগ কৰিলে বাকীবোৰলৈনো থাকিব কি? (উল্লিখিত, পৃ. ২১)*

আকৌ দিলবৰে প্ৰসংগক্ৰমে কৈছে —

*ঃ হয়তোন, সমাজত কিবা বেয়া কাম এটা কৰিলে তাক লুকুৱাই ৰাখিবলৈ চেষ্টা নকৰি সংশোধনহে কৰিব লাগে। (উল্লিখিত, পৃ. ২৭)*

এনেবোৰ ভাবোদ্দীপক সংলাপে নাট্যকাৰৰ সমাজ-সচেতনতাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে।

'ধানটো-পতানটো' নাটকখনত একাংকিকাৰ বৈশিষ্ট্য ৰক্ষা কৰি নাট্যকাৰে অৰ্থব্যঞ্জক আৰু তাৎপৰ্যপূৰ্ণ সংলাপৰ প্ৰয়োগ কৰিছে। অসমীয়া গ্ৰাম্য জীৱনৰ ঘৰুৱা কথিত ভাষাৰ প্ৰয়োগ নাটকখনৰ অন্যতম বিশেষত্ব। ফকৰা-যোজনা, জতুৱা ঠাঁচৰ সঘন তথা উপযুক্ত প্ৰয়োগে নাটকখনৰ বিষয়বস্তু মাধুৰ্যমণ্ডিত কৰি তোলাৰ লগতে ভাষালৈ শ্ৰুতিমধুৰতা আনিছে। ই অন্যহাতে নাট্যকাৰৰ দক্ষতাৰো নিৰ্ণায়ক। নাটকখনত ব্যৱহৃত কেইটিমান জতুৱা-ঠাঁচৰ উদাহৰণ —

* বেটিয়ে ভাঙিলে টৌ, গড়্গাঁৱত উঠিলে ঢৌ
* বঢ়া ভাত কাউৰীয়ে খোৱা
* সাগৰৰ জল বান্দৰে ছুৱা কৰা
* কাণ কাটি ভোৰ তাল বজোৱা
* কান্দি ৰণ জিকা
* গা নেলেখি ছাঁ লেখা
* মুখতে ধানটো মুখতে পতানটো ইত্যাদি।

উল্লেখযোগ্য যে নাটকখনৰ নামকৰণতে এনেধৰণৰ ফকৰা-যোজনাৰ প্ৰয়োগে নাট্যকাৰৰ প্ৰখৰ বুদ্ধিদীপ্ততাৰো নিদৰ্শন দাঙি ধৰে। ক্ষমতাৰ অপপ্ৰয়োগ কৰি এচাম সুবিধাবাদী লোকে নিজক সকলো পৰিস্থিতিতে নিকা কৰি ৰাখিবলৈ যে সততে নিজৰ স্থিতি সলনি কৰে বা তেনে কৰিবলৈ কুণ্ঠাবোধ নকৰে তেনেধৰণৰ মানসিকতাৰে ইংগিত বহন কৰিছে নাটকখনৰ 'ধানটো-পতানটো' এই শিৰোনামটোৱে।

ওপৰৰ আলোচনাই এই কথাকে প্ৰতীয়মান কৰিলে যে যোগেন চেতিয়াৰ 'ধানটো-পতানটো' একাংকিকা নাটকৰ আংগিকগত বৈশিষ্ট্যৰে সফলতম কলাকৰ্ম। নাট্যকাৰে সচেতনভাৱে একাংকিকাৰ সকলোবোৰ বিশেষত্বৰ প্ৰতি দৃষ্টি আৰোপ কৰি 'ধানটো-পতানটো' নাটকখনৰ জড়িয়তে এক সামাজিক ব্যাধিত আলোকপাত কৰিছে। লগতে ইবোৰৰ অৱসানৰ কাৰকো নিৰ্ধাৰণ কৰিছে। নিঃসন্দেহে এনে দৃষ্টিকোণৰপৰা অসমীয়া একাংকিকা নাটকৰ ইতিহাসত চেতিয়াৰ 'ধানটো-পতানটো'ৰ স্থান সুকীয়া আৰু অন্যতম শ্ৰেষ্ঠ নাটক হিচাপে সৰ্বদা উচ্চ প্ৰশংসিত।

## ৫.০ উপসংহাৰ

ভাৱবস্তুৰ গভীৰতা আৰু আংগিকগত বিশেষত্বৰ দিশৰ পৰা যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকখনৰ গুৰুত্ব অপৰিসীম। সমাজৰ এজন সাধাৰণ নাগৰিক হিচাপে প্ৰত্যক্ষ কৰা তথাকথিত সমাজৰ কেতবোৰ ঘৃণনীয় দিশ নাটকখনত অত্যন্ত সংযতভাৱে আৰু ব্যঞ্জনাপূৰ্ণভাৱে দাঙি ধৰাত নাট্যকাৰ নিঃসন্দেহে

সফল হৈছে বুলি ক'ব পাৰি। একাংকিকা নাটকৰ আংগিকৰ দৃষ্টিৰে যোগেন চেতিয়াৰ 'ধানটো-পতানটো' নাটকখন বিচাৰ কৰাৰ অন্তত তলৰ **সিদ্ধান্ত**কেইটাত উপনীত হ'ব পাৰি —

ক) যোগেন চেতিয়াৰ 'ধানটো-পতানটো' প্ৰকৃতাৰ্থত এখন পৰিস্থিতিপ্ৰধান সাৰ্থক একাংকিকা।

খ) একাংকিকাৰ কাহিনী বিকাশৰ চাৰিওটা স্তৰৰে তাৎপৰ্য নাটকখনত সাৰ্থকভাবে ৰূপায়িত কৰিবলৈ নাট্যকাৰ সক্ষম হৈছে।

গ) লক্ষ্যৰ একমুখিতাই নাটকখনৰ ভাৱবস্তুৰ সংহতি ৰক্ষা কৰিছে।

ঘ) সমাজৰ ফোঁপোলা স্বৰূপটো উদ্ভাসিত কৰি ইয়াৰ নিৰ্মূলকৰণৰ প্ৰচেষ্টাৰে নাট্যকাৰে নিজৰ সমাজ সচেতন মানসিকতা প্ৰতিপন্ন কৰিছে।

**পৰিশিষ্ট ঃ**

**গ্ৰন্থপঞ্জী ঃ**

**মূলগ্ৰন্থ ঃ**

চেতিয়া, তিলোত্তমা (প্ৰকাশক) ঃ *যোগেন চেতিয়াৰ নিৰ্বাচিত একাংকিকা* ঋদ্ধি প্ৰকাশন, কাৰেং পথ, জয়সাগৰ-৭৮৫৬৬৫, শিৱসাগৰ, পৰিবৰ্দ্ধিত প্ৰকাশ, ১ এপ্ৰিল, ২০০৮

**সহায়ক গ্ৰন্থ ঃ**

ঠাকুৰীয়া, ৰামমল ঃ *সাহিত্য বিচাৰ* বীণা লাইব্ৰেৰী, গুৱাহাটী, অসম, প্ৰথম প্ৰকাশ, ১৯৬৪, নতুন সংস্কৰণ, ছেপ্টেম্বৰ, ২০০৯

বৰুৱা, সত্যপ্ৰসাদ ঃ *নাটক আৰু অভিনয় প্ৰসংগ* বনলতা,পাণবজাৰ, গুৱাহাটী-১, সংশোধিত সংস্কৰণ, ২০০১

শইকীয়া, অজিৎ(সম্পা.) ঃ *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন,* পথাৰ(সামাজিক-সাংস্কৃতিক কৰ্ষণভূমি), দুলীয়াজান, অসম, দ্বিতীয় প্ৰকাশ, ২০১৪

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া নাট্য সাহিত্য* সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, গুৱাহাটী-৮, প্ৰথম সংস্কৰণ, ১৯৬২, অষ্টম সংস্কৰণ, ২০০০

***********

********************